'সাহিত্য প্ৰবেশ' কিতাপৰ 'ছন্দ' সম্পৰ্কীয় পাঠটোও তোমালোকক দিলো। সংজ্ঞাৰ লগত থকা কবিতাৰ পংক্তিবোৰ ভালদৰে মনত ৰাখিবা।

**ছন্দ :** শব্দৰ নিয়মিত বিন্যাস-ব্যৱস্থাৰ মাজেদি কাব্যৰ যি লয়পূৰ্ণ সৌন্দৰ্য্যসৃষ্টি হয়, তাকেই ছন্দ বুলিব পাৰি। ব্যৱস্থিত বিৰাম বা যতি ছন্দৰ মূল কথা, ইয়েই ৰচনাক অৰ্থপূৰ্ণ আৰু ছন্দোবদ্ধ কৰি তোলে। অবাধ-গতিত ধাৱমান জলপ্ৰৱাহতকৈ শিলা-খণ্ডত ঠেকা খাই খাই বৈ যোৱা কলধ্বনিকাৰিণী তটিনী অধিক সুন্দৰীয়েই নহয়, বিচিত্ৰ ভাৱপ্ৰসৱিনীও। সেই-

ছন্দৰ স্বৰূপ

দৰে অনিয়ন্ত্ৰিত আৰু অবিৰাম ৰচনাপ্ৰৱাহে অৰ্থৰ ব্যঞ্জনা আৰু সৌন্দৰ্য্যসুষমা আনিবলৈ অপাৰগ, নিয়মিত বিৰতিয়ে নিয়ন্ত্ৰিত কৰা ৰচনাইহে তাক আনি দিব পাৰে। উদাহৰণ স্বৰূপে, "পাছে ত্ৰিনয়ন, দিব্য-উপৱন, দেখিলন্ত বিদ্যমান।" এই পদফাকি দেখুৱা ধৰণে নিয়মিত বিৰতিদ্বাৰা নিয়ন্ত্ৰিত হোৱা কাৰণে ই ৰচনা-লালিত্য আৰু অৰ্থব্যঞ্জনা দুয়োটাকে আনি দিছে। ইয়াৰ বিপৰীতে ই যদি এই ধৰণে অনিয়মিত হয়—"পাছে ত্ৰিনয়ন দিব্য, উপৱন, দেখিলন্ত বিদ্যমান।" তেতিয়া ই ছান্দস লালিত্য আৰু অৰ্থব্যঞ্জনা উভয়বিধকে হেৰুৱাব।

***ছন্দ প্ৰধানভাবে দুবিধ***—মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ

**মিত্ৰাক্ষৰ ছন্দ**—প্ৰতি স্তৱকৰ এক চৰণৰ শেষৰ সস্বৰ ব্যঞ্জনৰ বা কেৱল স্বৰৰ লগত আন চৰণৰ সস্বৰ ব্যঞ্জনৰ বা কেৱল স্বৰৰ যদি মিল (Rhyme) হয়, এনেকুৱা চৰণান্তিক মিল থকা ছন্দক মিত্ৰাক্ষৰ ছন্দ বোলা হয়। মিত্ৰাক্ষৰ ছন্দ কাব্য শৰীৰৰ অলঙ্কাৰ স্বৰূপ, কিয়নো মিত্ৰাক্ষৰ ছন্দৰ স্বৰূপ অন্ত্যানুপ্ৰাস

অলঙ্কাৰৰ স্বৰূপৰ লগত একে।

আমাৰ পুৰণি সাহিত্যৰ কাব্যিক—ৰচনাবোৰ নানাবিধ মিত্রাক্ষৰ ছন্দত ৰচিত। পদ, দুলড়ি, ছবি আদি বহুবিধ মিত্রাক্ষৰ ছন্দৰ স্বৰূপ দাঙিধৰা হল :

**পদ**—এই বিধ ছন্দত দুটাকৈ শাৰী বা চৰণ থাকে আৰু প্ৰতি শাৰীতে থাকে চৈধ্যটাকৈ অক্ষৰ। শাৰীৰ প্ৰথম আঠটা অক্ষৰত এক পৰ্ব্ব আৰু দ্বিতীয় ছয়টা অক্ষৰত এক পৰ্ব্ব, মুঠতে চাৰিটা পৰ্ব্ব এই ছন্দৰ অন্তৰ্ভুক্ত। ইয়াত প্ৰথম শাৰীৰ শেষ অক্ষৰৰ লগত দ্বিতীয় শাৰীৰ শেষ অক্ষৰৰ মিল হয়। যেনে—

| | | | | | | | | | | | | |
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
| | | | | | | | | | | | | |
এহিমতে যান্ত যেৱে, দৈৱকী তনয়, ॥
| | | | | | | | | | | | | |
নাৰীগণো শুনিলেক, কৃষ্ণ আসিবাৰ,।
| | | | | | | | | | | | | |
উৰুক মুৰুক কৰি, পিন্ধে অলঙ্কাৰ, ॥ (ৰুক্মিণী হৰণ)

সংস্কৃত সাহিত্যৰ কাব্যৰাজিৰ বেছিভাগ কথা যেনেকৈ অনুষ্টুভ ছন্দত ৰচিত, পুৰণি অসমীয়া কাব্যৰাজিৰো বেছিভাগ কথাই পদ ছন্দত বৰ্ণিত। ইয়াক পয়াৰো বোলা হয়।

**দুলড়ি**—ই ছয়টা পৰ্ব্বযুক্ত চাৰি শাৰীৰ ছন্দ। ছয়টা অক্ষৰযুক্ত পৰ্ব্ব প্ৰথম শাৰীত দুটা আৰু তৃতীয় শাৰীত দুটা, আকৌ আঠটা অক্ষৰযুক্ত পৰ্ব্ব দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব ইয়াত থাকে। দ্বিতীয় শাৰীৰ শেষৰ অক্ষৰৰ লগত চতুৰ্থ শাৰীৰ শেষৰ অক্ষৰৰ মিল ( rhyme ) হয়। যেনে—

শুনা আত পৰে কথা নিৰন্তৰে
চৰিত্ৰ যেন ৰামৰ।
পৰলোক হিত ঋষি বিশ্বামিত্ৰ
আৰম্ভিলা যজ্ঞবৰ ॥ ( ৰামা, মাধৱকন্দলী )

**ছবি**—ইয়ো ছয়টা পৰ্বযুক্ত চাৰিশাৰীৰ ছন্দ। আঠটা অক্ষৰযুক্ত পৰ্ব্ব প্ৰথম শাৰীত দুটা আৰু তৃতীয় শাৰীত দুটা, আকৌ দহটা অক্ষৰযুক্ত পৰ্ব্ব দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব থাকে। দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ লগত চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়। যেনে—

কুমৰকো চুলে ধৰি কাটিবে খোজন্তে হৰি
এতেকতে আসিলো লৰৰি।
কিবা ভৈল তাৰ তথা নজানোহো পাছ কথা
জান্তে প্ৰভু যাহা তুমি লৰি॥ ( ৰুক্মিণী-হৰণ কাব্য )

***লেচাৰি***—ই চাৰি শাৰীৰ ছয়টা চৰণযুক্ত এবিধ দীঘলীয়া ছন্দ। ইয়াৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণত দহটাকৈ আৰু তৃতীয় আৰু ষষ্ঠ চৰণত চৈধ্যটাকৈ অক্ষয় থাকে। দশাক্ষৰী চৰণ চাৰিটাৰ প্ৰত্যেকৰে দুটাকৈ পৰ্ব্ব থাকে—প্ৰথমটো ছয় অক্ষৰৰ আৰু দ্বিতীয়টো চাৰি অক্ষৰৰ। চতুৰ্দ্দশাক্ষৰী চৰণ দুটাৰো দুটাকৈ পৰ্ব্ব থাকে—প্ৰথমটো ছয় অক্ষৰৰ আৰু দ্বিতীয়টো আঠ অক্ষৰৰ। প্ৰথম আৰু চতুৰ্থ চৰণৰ শেষাক্ষৰৰ লগত যথাক্ৰমে দ্বিতীয় আৰু পঞ্চম চৰণৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়, আৰু তৃতীয় চৰণৰ শেষাক্ষৰৰ লগত ষষ্ঠ চৰণৰ শেষাক্ষৰৰ মিল হয়। যেনে—

হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষ ফল
তাহাবাসবৰো চিত্তক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নাছাৰিবা সাৰ জানি॥ ( নামঘোষা )

কেতিয়াবা আকৌ, দশাক্ষৰী চৰণত পূৰ্ব্বোক্ত ধৰণৰ মিল নাথাকেও। যেনে—

পূৰ্ণ শশী পূৰ্ণ দুগ্ধ সিন্ধু স্মিত প্ৰকাশ নকৰয়
কমনীয় লক্ষ্মী বদনো স্মিত নয়।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম ভজি স্পৃহাহীন ভৈলা সিটো
সিটো মনগোটে যিমতে শোভা কৰয়॥ ( নামঘোষা )

**ঝুনা** – একো শাৰীত এঘাৰটাকৈ অক্ষৰ থকা দুটা শাৰীত এইবিধ ছন্দ হয়। প্ৰতি শাৰীত দুটাকৈ পৰ্ব্ব থাকে—প্ৰথম পৰ্ব্ব ছয়টা অক্ষৰৰ আৰু দ্বিতীয় পৰ্ব্ব পাঁচ অক্ষৰৰ। দুয়ো শাৰীৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়। শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ ভালেমান ঠাইত এই ছন্দৰ প্ৰয়োগ কৰিছে। যেনে –

চৌপাশে প্ৰকাশে বস্ত্ৰ প্ৰদীপ।
চাপিলা হৰিয়ে ঋষি সমীপ ॥
নাৰদক দেখি উঠিলা হৰি।
প্ৰণামিলা পাৱে শিৰে সাদৰি ॥

এই ছন্দৰ অন্য নাম একাৱলী। এই ছন্দৰ অন্তৰ্গত ৰচনাৰ প্ৰতি শাৰীত যেতিয়া বাৰটাকৈ অক্ষৰ থাকে তেতিয়া ইয়াক বোলা হয় দীৰ্ঘ-ঝুনা, আৰু যেতিয়া তাত দহটাকৈ অক্ষৰ থাকে, তেতিয়া এই ছন্দক বোলা হয় হ্ৰস্ব ঝুনা।

**ঝুমুৰি** –এই বিধ ছন্দত আঠ অক্ষৰযুক্ত দুটা শাৰী বা চৰণ থাকে। প্ৰতি চৰণতে চাৰি অক্ষৰযুক্ত দুটাকৈ পৰ্ব্ব থাকে আৰু দুয়োটা চৰণৰে শেষাক্ষৰৰ মিল ( rhyme ) হয়। পুৰণি কবিসকলে, বিশেষকৈ যুদ্ধৰ বৰ্ণনাত এই ছন্দৰ প্ৰয়োগ কৰিছে। যেনে –

সীতাক ৰাখিবি তই।
ৰাক্ষসক যুজো মই ॥
এতিক্ষণে ঘোৰ শৰে।
মাৰি পেষো যমঘৰে ॥ (ৰামা, মাধৱ কন্দলী)

**কুসুমমালা**—এই ছন্দত ছয় অক্ষৰযুক্ত চাৰিটা পৰ্ব্ব থাকে, প্ৰতি পৰ্ব্বৰেই শেষাক্ষৰৰ মিল ( rhyme ) থাকে। শঙ্কৰদেৱৰ "গুণ-মালা" নামৰ গোটেই খণ্ড ৰচনাই এই বিধ ছন্দত ৰচিত। যেনে—

(i) নমো নাৰায়ণ, সংসাৰ কাৰণ।
ভকত তাৰণ, তোম্মাৰ চৰণ ॥

(ii) তুমি নিৰঞ্জন, পাতক ভঞ্জন।
দানৱ গঞ্জন, গোপিকা ৰঞ্জন ॥

এইবিলাকেই পুৰণি অসমীয়া-সাহিত্যৰ প্ৰধান ছন্দ। ইয়াৰ উপৰিও চবিহা, মুক্তাৱলী, ৰূপছন্দ, পাঞ্চালী, ইন্দ্ৰবজ্ৰা, মৃত্যুছন্দ আদি কেতবোৰ ছন্দৰ ব্যৱহাৰ ঠাইবিশেষে পোৱা যায়।[১] প্ৰচলন কম কাৰণে সেইবোৰৰ আলোচনা দিয়া নহ'ল।

পুৰণি সাহিত্যক গঢ় দিয়া উক্ত ছন্দবোৰে আধুনিক কাব্য-সাহিত্যক যে গঢ় দিয়া নাই, এই কথা নহয়। কেইবাটাও পুৰণি ছন্দই আধুনিক কাব্য-সাহিত্যক বিভিন্ন সাঁচৰ মাজেদি ৰূপায়িত কৰিছে। অৱশ্যে আধুনিক কাব্যত দুই এটা এই ধৰণৰ ছন্দ সামান্য-ভাৱে পৰিৱৰ্ত্তিত হৈছে।

আধুনিক কাব্যত পুৰণি ছন্দৰ প্ৰয়োগ

অবিকৃত পদ-ছন্দই দুই এটা আধুনিক কবিতাক গঢ় দিছে। যেনে—

নৰৰ আদৰ্শ কবি কন্দুৱাই ধৰা।  
স্বৰ্গীয় আসন শোভি আছা ধ্ৰুৱ তৰা॥  
পুণ্যভূমি অসমত পূৰ্ণ অৱতাৰ।  
ধৰিছিলা সৌম্য-মূৰ্ত্তি আৰ্য্য-বংশধৰ॥ (ৰঘু চৌধাৰী)

পদ-ছন্দ অলপ পৰিৱৰ্ত্তিত হৈয়ো আধুনিক কবিতাৰ মাজত সোমাইছে। এই ৰূপত প্ৰথম শাৰীৰ শেষ অক্ষৰ দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ লগত মিল নহৈ মিল হয় তৃতীয় শাৰীৰ শেষাক্ষৰৰ লগত, আৰু দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ মিল হয় চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ লগত। যেনে—

হে পথিক জুৰোৱাহি তাপিত জীৱন  
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল,  
ভাগৰুৱা পথিকৰ শান্তিনিকেতন  
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল। (ৰঘু চৌধাৰী)

দুলড়ি-ছন্দত ৰচিত আধুনিক কবিতাৰ সংখ্যাও কম নহয়। প্ৰথম পৰ্ব্ব আৰু দ্বিতীয় পৰ্ব্বৰ শেষাক্ষৰৰ, আৰু চতুৰ্থ-পঞ্চম পৰ্ব্বৰ শেষাক্ষৰৰ মিল আৰু অমিল থকা দুয়ো ধৰণৰ দুলড়ি ছন্দৰ

প্ৰয়োগ আধুনিক সাহিত্যত পোৱা যায়। যেনে—

(i) তেজগোৰা বেলি জিলিঙনি মেলি
সাৱটিব আহি ধৰা।
পুৱাৰ মলয়া উঠি ছয়া-ময়া
বোলে উঠা তেজীমলা। ( চন্দ্ৰকুমাৰ আগৰৱালা )

(ii) ৰূপহী নইত মলোৱে পলৰে
কাইে চেনিপুঠি মাৰে।
নাৱৰ টিঙত জুন্নুৱে আছাৰে
মুগা ৰিহা আঁৰে আঁৰে॥ ( দৈৱচন্দ্ৰ তালুকদাৰ )

অবিকলভাৱে ছবি-ছন্দত ৰচনা কৰা আধুনিক কবিতাৰ সংখ্যাও বহুত আছে। যেনে—

ৰূপোৱালী বালিচৰ সুবিশাল মনোহৰ
লুইতৰ বিশাল বুকুত।
জিলমিল, ৰূপৰেখা দিলে কোন চিত্ৰলেখা
ৰ'দালিৰ ৰিহা-আঁচলত॥ ( অতুলচন্দ্ৰ হাজৰিকা )

ছবি-ছন্দক অলপ বিকৃত কৰি, অৰ্থাৎ প্ৰথম আৰু চতুৰ্থ পৰ্ব্বত আঠ অক্ষৰ, আৰু দ্বিতীয় আৰু পঞ্চম পৰ্ব্বত ছয় অক্ষৰ ৰাখি, এই ছন্দতো কবিসকলে কবিতাৰ সৃষ্টি কৰিছে। যেনে—

অকণি অকণি কই বিশ্বৰূপ লই
থাপিলেহি একোটি দেহাত।
সুমেৰুৰ শিখৰত ভুৱনমোহিনী
অনুপমা বিশ্বজগতত॥ ( শৈলধৰ ৰাজখোৱা )

ছবি-ছন্দৰ চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ লগত মিল কৰি আন এটা শাৰী ( পঞ্চম শাৰী ) যোগ দি, এই ছন্দৰ নিম্নোক্ত নতুন ৰূপত দুই এটা কবিতা ৰচিত হৈছে। যেনে—

গড়গাওঁ গড়গাওঁ কথা শুনি তল যাওঁ
বাট দেখি পিচলে যে পাও।
দিখৌৰ সোঁতত যোৱা ভটীয়নী বল পোৱা
উভতিব খোজে মাৰ নাও।
ওচৰতে দেখি গড়গাওঁ॥ ( বিনন্দচন্দ্ৰ বৰুৱা )